**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং ১২৮**
**উত্তৰ দিয়াৰ তাৰিখ-১৪-০৭-২০২৬**

**বিষয়ঃ শিশু উন্নয়ন প্ৰকল্প**

**শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ, বিধায়ক**

**প্ৰশ্নঃ-**

মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ধুবুৰী জিলাত কিমানটা সংহত শিশু উন্নয়ন প্ৰকল্প আছে ? কি কি আৰু ক'ত অৱস্থিত ?

(খ) খণ্ড উন্নয়ন ভিত্তিক সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্য্যালয় নিৰ্মাণৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা আছেনে ? জনাব।

(গ) ৭ নং গৌৰীপুৰ সমষ্টিত কিমানখন অংগনবাদী কেন্দ্ৰ আৰু ক্ষুদ্ৰ অংগনবাদী কেন্দ্ৰ আছে ? তালিকা সদনত দাখিল কৰিব ( As per ICDS Project Office)

(ঘ) কিমানটা কেন্দ্ৰ আজিৰ দিনত কৰ্মী বা সহায়িকা বিহীন হৈ আছে ? বিতংভাৱে জনাব। চৰকাৰে এই কেন্দ্ৰবোৰক অতি সোনকালে খালী পদবোৰ পূৰণ কৰাৰ বাবে ব্যৱস্থা ল'বনে ? জনাব।

(ঙ) অংগনবাদী কেন্দ্ৰবোৰত ছাত্ৰ-ছাত্ৰীৰ বাবে গাইপতি কি কি আৰু কিমান পৰিমাণৰ খাদ্য যোগান ধৰা হয় ? তালিকা দাখিল কৰিব । ধুবুৰী জিলাত কোন কোন Vendor এ খাদ্য সামগ্ৰী যোগান ধৰি আছে ? জনাব।

**উত্তৰঃ-**

**মাননীয়া মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ মহোদয়াই উত্তৰ দিবঃ-**

(ক) ধুবুৰী জিলাত ৮টা শিশু উন্নয়ন প্ৰকল্প আছে। উক্ত শিশু উন্নয়ন প্ৰকল্প সমূহৰ নাম আৰু অৱস্থানৰ তালিকা **পৰিশিষ্ট 'ক'** ত সংলগ্ন কৰা হল।

(খ) খণ্ড উন্নয়ন ভিত্তিত সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্য্যালয় নিৰ্মাণৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা নাই।

(গ) অংগনবাড়ী কেন্দ্ৰৰ তালিকা সমষ্টি ভিত্তিক নাথাকে, সংহত শিশু উন্নয়ন প্ৰকল্প অনুযায়ী থাকে। সংহত শিশু উন্নয়ন প্ৰকল্প অনুযায়ী সংখ্যা পৰিশিষ্ট 'খ'ত সংলগ্ন কৰা হল।

(ঘ) অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাৰ খালী পদৰ সবিশেষ তথ্য সংশ্লিষ্ট শিশু উন্নয়ন প্ৰকল্প সমূহত উপলব্ধ। যিহেতু অংগনবাড়ী কেন্দ্ৰত কৰ্মী আৰু সহায়িকাৰ পদসমূহ সময়ে সময়ে খালী হয়, সেই অনুসৰি পদসমূহ পুৰণ কৰাৰ ব্যৱস্থা কৰি থকা হয়।

(ঙ) পৰিপুৰক পুষ্টিকৰ আঁচনিৰ অধীনত অংগনবাড়ী কেন্দ্ৰসমূহত প্ৰতিজন ৩ পৰা ৬ বয়সৰ শিশুৰ বিপৰীতে প্ৰতিদিনে ১০০ গ্ৰাম Micronutrient Fortified Energy Food গৰম কৈ ৰন্ধা খাদ্য হিচাবে দিয়া হয়। এই খাদ্য সামগ্ৰী সমূহ অনুমোদিত প্ৰস্তুতকাৰক প্ৰতিষ্ঠান সমূহক চৰকাৰী নীতি নিৰ্দ্দেশনা অনুসৰি যোগান ধৰাৰ দায়িত্ব দিয়া হৈছে।

(ওপৰোক্ত উত্তৰৰ প্ৰতিলিপি **পৰিশিষ্ট-"ক" আৰু "খ"** ৰ সৈতে অসম বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in ত আপলোড কৰা হ'ল)।

************

**পৰিশিষ্ট- “ক”**

**<u>ধুবুৰী জিলাত অনুমোদিত শিশু উন্নয়ন প্ৰকল্পসমূহৰ নাম আৰু অৱস্থান তলত উল্লেখ কৰা হ’ল-</u>**

| ক্ৰমিক নং | শিশু উন্নয়ন প্ৰকল্পৰ নাম | অৱস্থান |
|---|---|---|
| ১ | আগমনি | চেন নগৰ, আগমনি, জিলা-ধুবুৰী, অসম |
| ২ | গোলোকগঞ্জ | গোলোকগঞ্জ খণ্ড উন্নয়ন কাৰ্য্যলয় চৌহদৰ অন্তৰ্গত |
| ৩ | নায়াৰঅলগা | বনিয়াপাৰা, বিলাসীপাৰা |
| ৪ | গৌৰীপুৰ-ধৰ্মশালা | ধৰ্মশালা খণ্ড উন্নয়ন কাৰ্য্যলয় চৌহদৰ অন্তৰ্গত |
| ৫ | বিলাসীপাৰা | ৰানীগঞ্জ গাঁও খণ্ড উন্নয়ন কাৰ্য্যলয় চৌহদৰ অন্তৰ্গত |
| ৬ | চাপৰছালকোচা | চাপৰছালকোচা খণ্ড উন্নয়ন কাৰ্য্যলয় চৌহদৰ অন্তৰ্গত,চাপৰ |
| ৭ | জামাদাৰহাট | চিৰাকুটি, জামাদাৰহাট খণ্ড উন্নয়ন কাৰ্য্যলয় চৌহদৰ অন্তৰ্গত |
| ৮ | বিৰসিং জৰুৱা | এন. এচ্ . ৰোড, ধুবুৰী, অসম |

পৰিশিষ্ট – ‘খ’

**সংহত শিশু উন্নয়ন প্ৰকল্প অনুযায়ী অনুমোদিত অঙ্গনবাদী কেন্দ্ৰ সমূহৰ সংখ্যা তলত উল্লেখ কৰা হ’ল-**

| ক্ৰমিক নং | প্ৰকল্পৰ নাম | অনুমোদিত অঙ্গনবাদী কেন্দ্ৰৰ সংখ্যা |
|---|---|---|
| ১ | আগমনি | ২৮৩ |
| ২ | গোলোকগঞ্জ | ৩৫২ |
| ৩ | নায়াৰঅলগা | ২৭৫ |
| ৪ | গৌৰীপুৰ | ৪০০ |
| ৫ | বিলাসীপাৰা | ২৭০ |
| ৬ | চাপৰছালকোচা | ২৩৫ |
| ৭ | জামাদাৰহাট | ১১৬ |
| ৮ | বিৰসিং জৰুৱা | ২০৪ |